No. of Printed Pages—2

438 (AGS)

[20-HKPGDEO–M2S(O)21J]

MA 2nd Semester (Old) Exam., 2020

ASSAMESE

[MAS (S2) 06]

(অসমীয়া গদ্যসাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ভট্টদেৱক অসমীয়া গদ্যসাহিত্যৰ জনক বুলি অভিহিত কৰাৰ যুক্তিযুক্ততা বিচাৰ কৰক।

(b) 'সাতসৰী অসম বুৰঞ্জী'ৰ যি কোনো দুটা বৈশিষ্ট্য লিখক।

(c) চৰিত তোলা প্ৰথা মানে কি, চমুকৈ লিখক।

(d) আত্মজীৱনীৰ স্বৰূপ ব্যাখ্যা কৰি এটি টোকা প্ৰস্তুত কৰক।

(e) বাণীকান্ত কাকতিয়ে ৰচনা কৰা যি কোনো চাৰিখন গ্ৰন্থৰ নাম লিখক।

(f) "নাৰদৰ কৃষ্ণ দৰ্শন খণ্ড লীলা বিষয়ৰ শ্ৰেণীৰ অন্তৰ্গত।" কথাষাৰ বুজাই লিখক।

2. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) ভট্টদেৱৰ 'কথাগীতা'ৰ প্ৰথম অধ্যায়ৰ কথাখিনি চমুকৈ লিখক।

(b) অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে এটি চমু টোকা লিখক।

(c) আত্মজীৱনী হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

(d) 'অৰুণোদই' কাকতৰ বৰ্ণ-বিন্যাস ৰীতি সম্পৰ্কে আভাস দিয়ক।

3. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) 'কথাগীতা'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতিৰ বৈশিষ্ট্যবাজিৰ সম্যক আভাস দিয়ক।

(b) 'সাতসৰী অসম বুৰঞ্জী' মানে কি? অসমীয়া বুৰঞ্জী সাহিত্যত সাতসৰী অসম বুৰঞ্জীৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰক।

(c) আপোনাৰ পাঠৰ অন্তৰ্গত 'গুৰু-চৰিত-কথা'ৰ আলমত নাৰায়ণ দাস ঠাকুৰ আতাৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰক।

(d) পুৰণি অসমীয়া সাহিত্যৰ আকৰ্ষণীয় চৰিত্ৰ নাৰদ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

4. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) 'গুৰু-চৰিত-কথাৰ গদ্যৰীতি'—এই বিষয়ে এখন ৰচনা লিখক।

(b) 'স্ত্ৰী শিক্ষা' প্ৰবন্ধটিৰ আধাৰত অসমীয়া সমাজত প্ৰচলিত নাৰীৰ স্থান সম্পৰ্কে লেখকে যি বিৱৰণ দাঙি ধৰিছে, আপোনাৰ ভাষাৰে ফঁহিয়াই লিখক।

(c) 'মোৰ জীৱন সোঁৱৰণ'ত 'বসৰাজ বেজবৰুৱা' মানুহজনৰ প্ৰকাশ কিদৰে ঘটিছে, আলোচনা কৰক।

(d) ''কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন।'' বাণীকান্ত কাকতিৰ 'কবিৰ অহৈতুকী প্ৰীতি' পাঠৰ আধাৰত কথাষাৰ বিশ্লেষণ কৰি এটি নিবন্ধ লিখক।

(e) 'নাৰদৰ কৃষ্ণ দৰ্শন' পাঠটি লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? পাঠটিৰ আধাৰত লেখক তীৰ্থনাথ শৰ্মাৰ গদ্যৰীতিৰ বিষয়ে এটি সামগ্ৰিক আলোচনা দাঙি ধৰক।

★★★